Govt. of Assam

# অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান

# Assam State Urban Livelihoods Mission Society

(Deendayal Antyodaya Yojona - National Urban Livelihoods Mission)

A quarterly Newsletter of DAY-NULM, Assam

Issue- I, August 2019

## শুভেচ্ছাবাণী



প্ৰথমতে দীনদয়াল অন্ত্যোদয়া যোজনা ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানে এখন তিনিমহীয়া বাৰ্তালোচনী প্ৰকাশৰ ক্ষেত্ৰত লোৱা পদক্ষেপৰ বাবে ৰাজ্যিক প্ৰকল্প সঞ্চালক প্ৰমুখ্যে অভিযানৰ সমূহ কৰ্মকৰ্তালৈ অভিনন্দন জ্ঞাপন কৰিলোঁ। এই বাৰ্তালোচনীৰ জৰিয়তে ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ উদ্দেশ্যসমূহ ৰাইজৰ মাজলৈ লৈ যোৱাৰ লগতে লক্ষ্যসমূহ সাফল্যমণ্ডিত হোৱাত সহায়ক হ'ব বুলি মোৰ দৃঢ়বিশ্বাস।

অসমৰ নগৰীয়া অঞ্চলত বসবাস কৰা অৰ্থনৈতিকভাৱে পিছপৰা জনসাধাৰণৰ সৰ্বাংগীন উন্নতি আমাৰ চৰকাৰৰ এটা মুখ্য উদ্দেশ্য। দীনদয়াল অন্ত্যোদয়া যোজনা ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা আঁচনিখনৰ প্ৰধান উদ্দেশ্য হৈছে চহৰ অঞ্চলৰ দুৰ্বল জনসাধাৰণৰ মান উন্নত কৰা। প্ৰথমে অসমৰ ২৫খন চহৰত এই আঁচনিৰ ৰূপায়ণ কৰি আজি ৯৭খন চহৰলৈ এই আঁচনি সম্প্ৰসাৰিত কৰাত সফল হৈছে। এই আঁচনিয়ে মহিলা আত্মসহায়ক গোট গঠনৰ দ্বাৰা মহিলা সৱলিকৰণৰ লগতে মহিলাসকলৰ আৰ্থ-সামাজিক নিৰাপত্তা নিশ্চিত কৰিবলৈ বিচাৰিছে। লগতে এই আঁচনিৰ জৰিয়তে বহুতো নিবনুৱা যুৱক-যুৱতীয়ে বিভিন্ন বিভাগত বিনামূলীয়া প্ৰশিক্ষণ সমাপ্ত কৰি নিয়োগৰ সুবিধা লাভ কৰিছে আৰু ইতিমধ্যে কিছুসংখ্যকে স্ব-নিয়োজনৰ জৰিয়তে জীৱিকা আহৰণ কৰিছে। তদুপৰি এই আঁচনিৰ জৰিয়তে একক আৰু দলীয় উদ্যোগী মহিলাসকলক ৰাজ-সাহায্যযুক্ত বছৰি সাত শতাংশ সুদৰ হাৰত ঋণ প্ৰদান কৰাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। আত্মসহায়ক গোটসমূহেও সাত শতাংশ সুদৰ হাৰত ঋণ গ্ৰহণ কৰিছে আৰু সময়মতে ধন উভতাই দিয়া গোটসমূহক অতিৰিক্ত তিনি শতাংশ ৰাজ-সাহায্য গ্ৰহণ কৰিছে। এই আঁচনিয়ে পৰ্য্যায়ক্ৰমে চহৰ অঞ্চলৰ গৃহহীন লোকসকলৰ বাসস্থানৰ নিৰাপত্তা আৰু পদপথৰ ব্যৱসায়ীসকলক সামাজিক সুৰক্ষা প্ৰদানৰ লগতে ব্যৱসায়ৰ বাবে স্থান নিৰ্ধাৰণ, দক্ষতা বিকাশ প্ৰশিক্ষণ, ঋণ প্ৰদান ইত্যাদি বিষয়সমূহ সামৰি লৈছে। এই আঁচনিৰ জৰিয়তে আত্মসহায়ক গোটৰ দ্বাৰা উৎপাদিত সামগ্ৰীসমূহ বিক্ৰীৰ বাবে প্ৰতিখন চহৰতে পৰ্য্যায়ক্ৰমে একোটাকৈ নগৰীয়া জীৱিকা কেন্দ্ৰ (City Livelihood Centre) স্থাপনৰ ব্যৱস্থা হাতত লোৱা হৈছে। অনাগত দিনত এই আঁচনিৰ সুবিধাসমূহ গ্ৰহণ কৰি নগৰ অঞ্চলৰ সকলো দৰিদ্ৰ জনসাধাৰণ উপকৃত হোৱাৰ লগতে জীৱনধাৰণৰ মানদণ্ডৰ আমূল পৰিৱৰ্তন ঘটিব বুলি মোৰ দৃঢ়বিশ্বাস।

সদৌ শেষত উক্ত বাৰ্তালোচনীখনৰ মহৎ উদ্দেশ্যসমূহ সফল হওক তাৰেই কামনা কৰি শুভেচ্ছা আগবঢ়ালোঁ।

**পিয়ূজ হাজৰিকা**
মন্ত্ৰী, নগৰ উন্নয়ন বিভাগ, অসম

## শুভেচ্ছাবাণী



অসমৰ নগৰত বসবাস কৰা অৰ্থনৈতিকভাৱে দুৰ্বল জনসাধাৰণৰ সৰ্বাংগীন উন্নতিৰ বাবে ভাৰত চৰকাৰে দীনদয়াল অন্ত্যোদয়া যোজনা ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা আঁচনিখন আৰম্ভ কৰিছে। এই আঁচনিখনে নগৰ অঞ্চলত বসবাস কৰা অৰ্থনৈতিকভাৱে দুৰ্বল পৰিয়ালৰ মহিলাসকলক সামৰি আত্মসহায়ক গোট গঠন কৰিছে, যাতে তেওঁলোকৰ আৰ্থ-সামাজিক বিকাশত সহায় হয়। ইয়াৰ উপৰিও আত্মসহায়ক গোটৰ সদস্যাসকলক সামাজিক আৰু অৰ্থনৈতিক দিশত সবল কৰাৰ কাৰণে প্ৰত্যেকখন নগৰতে ক্ষেত্ৰভিত্তিক আৰু নগৰভিত্তিক সংগঠনসমূহ গঠনত সহায় কৰিছে। আনহাতে, আঁচনিখনে চহৰৰ গৃহহীন লোকসকলক স্থানৰ সুবিধা প্ৰদান আৰু পদপথৰ ব্যৱসায়ীসকলক নিৰাপত্তা দিয়াৰ ব্যৱস্থা গ্ৰহণ কৰিছে। আঁচনিখনে চহৰৰ নিবনুৱা লোকসকলক দক্ষতা বিকাশৰ জৰিয়তে সংস্থাপন আৰু ৰাজ-সাহায্যযুক্ত ঋণৰ জৰিয়তে উদ্যোগীসকলক স্ব-নিয়োজনৰ দ্বাৰা জীৱিকাৰ পথ প্ৰদান কৰি নগৰ অঞ্চলত দৰিদ্ৰতা দূৰীকৰণত সুদূৰপ্ৰসাৰী অৰিহণা যোগাইছে।

**নিৰজ ভাৰ্মা**
প্ৰধান সচিব, নগৰ উন্নয়ন বিভাগ, অসম

## প্ৰকল্প সঞ্চালকৰ একলম



এখনি বাৰ্তালোচনী ৰাইজলৈ আগবঢ়োৱাৰ ক্ষেত্ৰত এয়া অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ প্ৰথম পদক্ষেপ। এই বাৰ্তালোচনীৰ জৰিয়তে অভিযানৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ অসমৰ ৰাইজৰ আৰু কাষলৈ লৈ যোৱাত সহায়ক হ'ব বুলি আমাৰ দৃঢ়বিশ্বাস। আশা কৰিছোঁ এই বাৰ্তালোচনীখনে আঁচনিৰ মহৎ উদ্দেশ্যসমূহ ৰূপায়ণ কৰাৰ ক্ষেত্ৰত আমাক সহায় কৰিব।

মই সমূহ অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান পৰিয়ালৰ তৰফৰ পৰা বিভাগীয় মন্ত্ৰী মাননীয় শ্ৰীযুত পিয়ূজ হাজৰিকাদেৱ আৰু নগৰ উন্নয়ন বিভাগৰ প্ৰধান সচিব শ্ৰীযুত নিৰজ ভাৰ্মাদেৱক বাৰ্তালোচনীখনৰ প্ৰকাশৰ ক্ষেত্ৰত আগবঢ়োৱা সহায়-সহযোগ তথা দিহা-পৰামৰ্শৰ বাবে ধন্যবাদ জ্ঞাপন কৰিছোঁ।

**শুভাশিষ দাস**
ৰাজ্যিক প্ৰকল্প সঞ্চালক,
অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান



*The Hon'ble Chief Minister, Assam made a public announcement about an additional grant of Rs. 15,000/- Revolving Fund for SHGs of DAY-NULM*

## Ceremonial Distribution of Revolving Fund at North Lakhimpur Town

Additional Revolving Fund was ceremonially distributed to 305 women SHGs @ Rs. 15,000 and Revolving Fund to 5 Area Level Federations @Rs.50,000/- on 28th June 2019 at District Library Auditorium, North Lakhimpur. Best performing SHG award was given to 4 SHGs on the basis of their performance during the last financial year. The occasion was graced by *Sri Himanta Biswa Sarma*, Hon'ble Minister for Finance, Heath & Family Welfare and P.W.D, *Sri Naba Kumar Doley*, Hon'ble Minister for Panchayat & Rural Development, *Sri Pijush Hazarika*, Hon'ble Minister of State Urban Development Department, *Sri Pradan Baruah*, Hon'ble Member of Parliament, *Sri Utpal Dutta*, Hon'ble MLA, Deputy Commissioner, Lakhimpur.



## OVERALL PROGRESS OF DAY-NULM, ASSAM



- **12308 women SHG formed**
- **7618 SHG received RF**
- **498 ALF formed**
- **282 ALF received RF**
- **3 City Livelihood Center**
- **15009 Candidate skills trained**
- **11742 Candidate certified**
- **1233 Candidate placed**
- **4370 Candidate Undergoing Skill Training**
- **742 Persons assisted with loans to set up micro enterprise**
- **829 SHGs received loan under bank linkage**
- **1 Shelter operational**
- **23 Cities completed street vendor survey**

## City Level Federation (CLF) formed at Lakhimpur

The first CLF of DAY-NULM Assam, named as "Swabalamban", was formed at North Lakhimpur. All the Area Level Federations (ALFs) of North Lakhimpur came together to form CLF which will work with ALFs and SHGs to ensure social and economic empowerment of urban poor.

# TOWN/CITY WISE BEST ACTIVITIES

## City Livelihood Center Established at Nagaon





The City Livelihood Center (CLC) was established in Nagaon town, which was formally inaugurated by the Hon'ble MLA Sri Rupak Sharma on 10th July 2019. The center will promote the products made by women Self Help Group (SHG) and will also provide services of skilled man power like electrician, plumber, carpenter, beautician etc.

## Contribution towards Flood victims by SHGs of Nalbari

3014 SHG members under CMMU Nalbari came together and collected Rs. 1 per SHG member and collectively donated an amount of Rs. 3014/- to the Chief Minister's relief fund, Assam through the Deputy Commissioner, Nalbari on 18th July, 2019.

## Convergence meet of DAY-NULM and SBM (U) at Kajalgaon Town

A convergence meeting of DAY-NULM and SBM (U) was held on 25th May, 2019 at Kajalgaon. The meeting was addressed by Sri Pijush Hazarik, Hon'ble minister of UDD and Sri Chandan Brahma, Hon'ble Minister Tourism and Sri Suvasish Das,IFS, State Mission Director, DAY-NULM and Mission Director Swaach Bharat Mission (Urban). It was decided to involve SHGs/ALFs in the clean-up activities, door to door collection and awareness campaigns under the Swachha Bharat Abhiyan (U) in all the ULBs








## World Youth Skill Day

Various training centers under DAY-NULM observed the World Youth Skill Day on 15th July 2019.

## Certificate Distribution of Skill Trained Candidates at Guwahati




Successfully trained and certified candidates under DAY-NULM, Assam were distributed certificates by Sri Suvasish Das, IFS, State Mission Director, DAY-NULM, Assam. The candidates were trained under different Courses and presently skills training are provided in around 27 different courses across Assam. Some of the most demanding courses under-going skills training presently are: 1) Field Technician – Computing and Peripherals 2) Field Technician – Networking and Storage 3) Make-Up Artist 4) Retail Sales Associate 5) Fashion Designer.

## Entrepreneurship Development Program (EDP) at Morigaon

31 members of various SHGs under DAY-NULM and individual entrepreneurs have been provided 6 days EDP training by Rural Self Employment Training Institute (RSETI) . The training was inaugurated by Chairperson, Morigaon MB in presence of LDM & DDM, NABARD.

## Ceremonial Distribution of Additional Revolving Fund to women SHGs





**Kharupetia:**
RF and additional RF to SHGs was ceremonially distributed by Sri Pijush Hazarika, Hon'ble minister Urban Development in presence of Sri Dilip Saikia, Hon'ble MP Mangaldoi and Sri Gaurjyoti Das, Hon'ble MLA on $4^{th}$ June, 2019.

**Dhemaji:**
The additional RF distribution ceremony to 174 SHGs at Dhemaji was graced by Hon'ble MP Sri Pradan Baruah and Hon'ble MLA Sri Ranauj Pegu on $14^{th}$ June, 2019.

**Karimganj:**
RF and additional RF to 135 SHGs at Karimganj was ceremonially distributed by Sri Kripanath Mallah, Hon'ble MP, on $12^{th}$ July, 2019.

**Kokrajhar:**
The additional RF distribution ceremony to 203 SHGs at Kokrajhar was graced by Hon'ble Minister of State, Social Welfare & Soil Conservation Dept. Smt. Pramila Rani Brahma, Hon'ble Executive Member, BTC, Urban Dept. Shri Dhoneswar Goyary and others on 28th June 2019.

The ceremonial program of RF distribution was also organized at Udalguri, Rangia and Gauripur, Badarpur, Barpathar etc.

## Mass Awareness Campaign on Swachata Involving SHGs at Guwahati



The Commissioner, Guwahati Municipal Corporation (GMC), Sri Debeswar Malakar flagged off a Two week mass awareness campaign on “Swachata” on $13^{th}$ July, 2019. It was carried out across 31 wards of Guwahati by the team of City Mission Management Unit (CMMU), GMC officials and members of SHGs and ALFs under DAY-NULM.

## State Level Review Meeting



A state level review meeting of DAY-NULM chaired by the Principal Secretary to Govt of Assam, Urban Development Department and attended by Commissioner & Secretary, UDD, Secretary, UDD, Joint Secretary, UDD and State Mission Director, DAY-NULM was held on 29-03-2019 at NEDFi, Guwahati.

## Capacity Building and Training of staff



a. **Exposure Visit:** A team of 7 members comprising of 2 Executive Officers, 1 State Mission Manager and 4 City Project Managers visited Jaipur, Udaipur and Kota from $29^{th}$ May to $2^{nd}$ June, 2019. The team experienced the functioning of City Livelihoods Centre, Shelter for Urban Homeless, Skill Training Centers and convergence of DAY-NULM and Swach Bharat Mission (SBM (U).

b. **Training:** A day long training program was organized for the Community Organizer (CO) on $3^{rd}$ July 2019 at Guwahati. The training was attended by 45 COs of various CMMUs of Assam.





# মহিলা সৱলিকৰণৰ ক্ষেত্ৰত আত্মসহায়ক গোটৰ প্ৰচেষ্টা

## ‘নৱ- প্ৰহৰ’ আত্মসহায়ক গোট, বঙাইগাওঁ




বঙাইগাঁও জিলাৰ ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা আঁচনিৰ অধীনত থকা ওঠৰ নং ৱাৰ্ডৰ ‘নৱ-প্ৰহৰ’ আত্মসহায়ক গোটৰ সকলো সদস্যাই নিজৰ জীৱিকাৰ লগতে মহিলাৰ সুৰক্ষাৰ কথা চিন্তা কৰি অ’টো চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰে। গোটৰ তেৰগৰাকী সদস্যাই অ’টোৰ চালক হিচাপে দিছপুৰ ম’ট’ৰ ড্ৰাইভিং স্কুলৰ পৰা দীনদয়াল অন্ত্যোদয়া যোজনা- ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযান আৰু বঙাইগাঁও পৌৰসভাৰ সহযোগত তিনি মাহৰ বিশেষ প্ৰশিক্ষণ গ্ৰহণ কৰে। বঙাইগাঁও তেল শোধনাগাৰৰ ফালৰ পৰা দহখন অ’টো উপহাৰ স্বৰূপে পোৱাৰ লগতে বাকী তিনিখন অ’টো ষ্টেট বেংকৰ বঙাইগাঁও শাখাৰ পৰা ঋণৰ জৰিয়তে মহিলাসকলে লাভ কৰে। কেৱল মহিলাৰ বাবে, মহিলাৰ দ্বাৰা চালিত এই অ’টোবোৰৰ গুলপীয়া ৰঙাটোৱে সকলো মহিলাৰে স্বাৱলম্বীতা আৰু সুৰক্ষাৰ পৰিচয় দিয়ে।

## আত্মসহায়ক গোটৰ বানাক্ৰান্তক সাহায্য



গুৱাহাটী পৌৰনিগমৰ অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ অন্তৰ্গত মা বাসন্তী, সুপ্ৰভাতী, অগ্ৰদ্বীপ, আলোড়ণ, কাদমবড়ী, মাতৃভূমি, সুদৰ্শনা, দীক্ষা, আকৃতি ক্ষেত্ৰভিত্তিক সংগঠন (Area Level Federation)সমূহে বানপীড়িত লোকসকলৰ মাজলৈ গৈ তেওঁলোকৰ মাজত খাদ্য সামগ্ৰীৰ লগতে আন কিছু প্ৰয়োজনীয় সামগ্ৰী বিতৰণ কৰে। ইয়াৰ উপৰিও মিলিজুলি আত্মসহায়ক গোটৰ ফালৰ পৰা DY-365 Foundationলৈ বানপীড়িত লোকসকলৰ বাবে পাঁচ হাজাৰ টকা সাহায্য হিচাপে আগবঢ়ায়। উল্লেখযোগ্য যে পূৰ্বেও এওঁলোকে বানবিধ্বস্ত লোকসকলৰ সাহায্যাৰ্থে এনেধৰণৰ সহায়-সহযোগ আগবঢ়াই আহিছে।

## সেউজ আত্মসহায়ক গোট, মৰিগাঁও

মৰিগাঁও নগৰ আঠ নম্বৰ ৱাৰ্ডত দহগৰাকী মহিলাই ‘সেউজ’ নামেৰে এটা আত্মসহায়ক গোট ২০১৪ চনত গঠন কৰে যদিও সক্ৰিয় নাছিল। ২০১৬ চনৰ পৰা ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত গোটটো সক্ৰিয় হৈ পৰে। গোটটোৱে পোৱা ঘূৰ্ণীয়মান পুঁজি আৰু তেওঁলোকৰ জমা ধনেৰে এটা ঘৰ ভাড়া লৈ থলুৱা খাদ্যৰ বনোৱা আৰু বিক্ৰী কেন্দ্ৰ গঢ়ি তোলে। লাহে লাহে গোটটোৱে বনোৱা খাদ্যৰ মৰিগাঁও নগৰত সমাদৰ লাভ কৰাৰ লগে লগে বিয়া, সভা, বিহু আদি অনুষ্ঠানৰ খাদ্য যোগানৰ সুবিধা পোৱাৰ উপৰিও স্থানীয় দোকানসমূহেও তেওঁলোকৰ সামগ্ৰী বিক্ৰী কৰা হ’ল। তেওঁলোকৰ কামৰ অগ্ৰগতি দেখি স্থানীয় বিধায়ক শ্ৰীযুত ৰামা দেউৰীদেৱে কৃষি বিভাগৰ জৰিয়তে এটা গ্ৰাইণ্ডিং মেচিন আৰু এক লাখ টকা সামগ্ৰী উৎপাদন কৰিবলৈ এটা ঘৰ বনাবলৈ উপহাৰ দিয়ে। তেওঁলোকৰ বজাৰখন ডাঙৰ হোৱাৰ কাৰণে, দোকানত বস্তুবোৰ যোগান ধৰিবৰ কাৰণে এজন ল’ৰাক নিয়োগ কৰিছে। বৰ্তমান গোটটোৰ মূলধন প্ৰায় ২,০৫,০০০ টকা।



## অনুৰাধা কনকলতা আত্মসহায়ক গোট, তিনিচুকীয়া





তিনিচুকীয়া জিলাৰ মাকুম পৌৰসভাৰ অন্তৰ্গত চাৰি নং ৱাৰ্ডৰ দহগৰাকী দৰিদ্ৰ মহিলা লগ হৈ ২০১৮ চনৰ দুই জুনত অনুৰাধা কনকলতা নামৰ এটা আত্মসহায়ক গোট গঠন কৰে আৰু সকলো সদস্যাই নিয়াৰিকৈ নিয়মাৱলী আৰু পঞ্চসূত্ৰ পালন কৰি যায়। ০২-০৬-২০১৮ৰ পৰা ২১-০৫-২০১৯ কালছোৱাত গোটটিৰ কাম-কাজসমূহৰ অভূতপূৰ্ব অগ্ৰগতিয়ে সকলোৰে মন জয় কৰিবলৈ সক্ষম হয় আৰু তাৰ ফলস্বৰূপে মাকুম পৌৰসভাৰ পৰা গোটটিলৈ পৌৰ এলেকাৰ অন্তৰ্গত চাৰি নং ৱাৰ্ডৰ অমৃতপুৰ অঞ্চলত ৩১৭ মিটাৰ দৈৰ্ঘ্যৰ এটি পকী পথ নিৰ্মাণ কৰাৰ অনুমতি লাভ কৰে। তদুপৰি তেওঁলোকে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান আৰু মাকুম পৌৰসভাৰ যুটীয়া উদ্যোগত অঞ্চলটোৰ মহিলা আত্মসহায়ক গোটসমূহক সংগঠিত কৰি স্বচ্ছতাৰ ওপৰত সজাগতা সভা অনুষ্ঠিত কৰাৰ লগতে স্বচ্ছ অভিযানৰ বিভিন্ন কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

# মহিলা সৱলিকৰণৰ ক্ষেত্ৰত আত্মসহায়ক গোটৰ প্ৰচেষ্টা

## দৰং জিলাৰ মঙ্গলদৈত প্ৰথমবাৰৰ বাবে মহিলা বজাৰৰ শুভাৰম্ভণি



মঙ্গলদৈৰ মহিলাসকলক স্বাৱলম্বী কৰাৰ উদ্দেশ্যে অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযান মঙ্গলদৈ শাখাৰ এই অভিনৱ পদক্ষেপ লৈ মঙ্গলদৈ চহৰৰ মাজমজিয়াৰ বৰপুখুৰীৰপাৰত মঙ্গলদৈ পৌৰসভাৰ সহযোগত প্ৰতি শনিবাৰে অনুষ্ঠিত হ'বলগা বজাৰৰ শুভ উদ্বোধন কৰে মঙ্গলদৈৰ বিধায়ক গুৰুজ্যোতি দাসে। আত্মসহায়ক গোটৰ মহিলাসকলে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ বিক্ৰী কৰিবলৈ এনে এখন সুবিধাজনক সাপ্তাহিক বজাৰ পাই খুবেই আনন্দিত। এই বজাৰখনৰ শুভাৰম্ভণিৰ দিনাখনেই প্ৰায় দুশ মহিলা আত্মসহায়ক গোটে অসমীয়া সাজ-পাৰ, থলুৱা খাদ্যকে ধৰি বিভিন্ন সামগ্ৰীৰে বজাৰখন ভৰাই পেলায়। সেই অঞ্চলৰ বিধায়ক গুৰুজ্যোতি দাসদেৱে প্ৰথম গ্ৰাহক হিচাপে কেইবাবিধো বস্তু ক্ৰয় কৰে।






## সঞ্চয়িকা আত্মসহায়ক গোট, যোৰহাট

যোৰহাট জিলাৰ যোল্ল নং ৱাৰ্ডৰ বাৰগৰাকী দৰিদ্ৰ পৰিয়ালৰ মহিলা লগ হৈ ২০০৯ চনৰ এক নৱেম্বৰত সঞ্চয়িকা নামৰ এটা আত্মসহায়ক গোট গঠন কৰে। প্ৰথমতে তেওঁলোকৰ মাজত মাহেকীয়া সভা পাতে আৰু মাহেকত প্ৰতিগৰাকী সদস্যাই পঞ্চাশ টকাকৈ সঞ্চয় কৰে। বৰ্তমান তেওঁলোকে ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযানৰ অধীনত পঞ্চসূত্ৰ নিয়ম অনুসৰি সাপ্তাহিক সভা, সাপ্তাহিক সঞ্চয়ৰ লগতে আভ্যন্তৰীণ ঋণৰ লেন-দেন আৰম্ভ কৰে আৰু ক্ৰমান্বয়ে সদস্যাসকলে আভ্যন্তৰীণ ঋণ লৈ ব্যক্তিগতভাৱে খুচুৰা ব্যৱসায় আৰম্ভ কৰি নিজে নিজৰ পৰিয়ালক আৰ্থিকভাৱে সবল কৰিবলৈ সক্ষম হৈছে। প্ৰত্যেক বছৰে এই গোটটিয়ে স্থানীয় ভোগালী আৰু ব'হাগী মেলাত নিজ হাতে বনোৱা সামগ্ৰীসমূহ বিক্ৰী কৰি যথেষ্ট লাভান্বিত হয়। ইয়াৰ উপৰিও তেওঁলোকে এই চহৰত থকা চৰকাৰী আৰু বেচৰকাৰী কাৰ্য্যালয়সমূহত দুপৰীয়াৰ আহাৰ যোগান ধৰাৰ কামো হাতত লয়। তেওঁলোকে বেংকৰ জৰিয়তে আঢ়ৈ লাখকৈ টকা ঋণ পাবলৈ সক্ষম হয়। এই ঋণে গোটৰ প্ৰত্যেকগৰাকী সদস্যাক নিজৰ ব্যক্তিগত খুচুৰা ব্যৱসায় আৰম্ভ কৰি স্বাৱলম্বিতাৰ এক নিদৰ্শন দেখুৱাব পাৰিছে।

## উত্তৰণ আত্মসহায়ক গোট, শিৱসাগৰ




অসম ৰাজ্যিক নগৰীয়া জীৱিকা অভিযানৰ অধীনত শিৱসাগৰ নগৰৰ আত্মসহায়ক গোটৰ মহিলাসকলক সৱলিকৰণৰ ক্ষেত্ৰত আগবঢ়াই নিবলৈ 'উত্তৰণ' হৈছে এক অভিনৱ প্ৰচেষ্টা। এই নগৰৰ আত্মসহায়ক গোটৰ প্ৰায় চল্লিশৰ পৰা পঞ্চাশগৰাকী মহিলাই তৈয়াৰ কৰা সামগ্ৰীসমূহ উন্নত মানদণ্ডৰে উপযোগী কৰি 'উত্তৰণ'ৰ জৰিয়তে ব্যৱসায় কৰি এতিয়ালৈকে এক লাখতকৈ অধিক টকা লাভ কৰিবলৈ সক্ষম হৈছে। 'উত্তৰণ' প্ৰথমে পিঠা-পনা, আচাৰৰ জৰিয়তে ব্যৱসায় আৰম্ভ কৰে যদিও এতিয়া নগৰখনত পষ্টিক বেগ বন্ধ কৰিবৰ বাবে কাপোৰৰ বেগ বনোৱা আৰম্ভ কৰি বিক্ৰী ব্যৱস্থা কৰিছে।





*Published by*
State Mission Directorate,
Assam State Urban Livelihoods Mission Society
Dispur, Guwahati -781006
Phone: 0361-2235166; Toll Free Number: 1800123167167
Website: www.nulmassam.in
Twiter: DAY-NULM, ASSAM; Facebook: Assam State Urban Livelihoods Mission Society, DAY-NULM, Assam